

দৈনিক জনমভূমি
দেওবৰীয়া আলোচনী ■ ৪ জুন, ২০২৩

# বসুন্ধৰা




Scanned with OKEN Scanner



প্ৰচ্ছদ নিবন্ধ


## সাধাৰণ পাকঘৰৰ অসাধাৰণ কথা

ড° মৃদুস্মিতা ফুকন ➠ ৮

## আখল-ঘৰ নিৰ্মাণ

বিকাশ বৰদলৈ ➠ ১৪

- উত্তৰ প্ৰদেশৰ মাফিয়াৰাজ

  কুশল কুমাৰ দাস ➠ ৪

- অবাঞ্ছিত

  ডাঃ অমৃত কৃষ্ণ বৰা ➠ ১৩

- হায়দৰাবাদৰ ৰাজকীয়তা আৰু সৌন্দৰ্যৰ মাজত কেইদিনমান

  অংগনা চৌধুৰী ➠ ১৬

- সমাগত টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল

  ৰাকেশ প্ৰতিম ভট্টাচাৰ্য ➠ ২৫

- সু-স্বাস্থ্য

  ভবেন হাজৰিকা ➠ ২৭

**গল্প** ➠ ১৯

সখিয়তী ৰ'দ হ'ব খোজা ছোৱালীজনী

পুৰবী শইকীয়া

**অণু গল্প** ➠ ২৯

ৰুণজুন সভাপণ্ডিত কলিতা

কাজি শ্বাহাদত ইছলাম

**নি**

- মনৰ ব্যায়াম ➠ ২
- ধাৰাবাহিক উপন্যাস (মহানগৰৰ গদ্য)

  জয়ন্ত মাধৱ বৰা ➠ ২২
- বলিউড ডায়েৰী

  অনিবেসন বৰুৱা ➠ ২৪
- মধুৰেণ

  অঞ্জন কুমাৰ শৰ্মা ➠ ৩০


# বসুন্ধৰা

৪ জুন, ২০২৩


■ কাৰ্যবাহী সম্পাদক ঃ সঞ্জীৱ কুমাৰ ফুকন

■ 'বসুন্ধৰা'ৰ সম্পাদক ঃ শাংকব কৌশিক বৰুৱা

*কম্পিউটাৰ গ্ৰাফিক্স আৰু স্কেচ ঃ ৰঞ্জীৱ গগৈ (মুনু), বেটুপাতৰ সজ্জা ঃ সুমন দাস, বেটুপাতৰ ফটো ঃ ৰেৱ, মডেল ঃ পূৰবী গগৈ দাস*

'জনমভূমি'ৰ হৈ জনমভূমি প্ৰেছ প্ৰাঃ লিঃ, শ্বেড্ নং এ - ১, এম আই ই, কালাপাহাৰ, গুৱাহাটী আৰু তুলসী নাৰায়ণ শৰ্মা পথ, যোৰহাটত ৰঞ্জন কুমাৰ শইকীয়াৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত। গুৱাহাটী কাৰ্যালয় ঃ প্ৰাগ টাৱাৰ, উলুবাৰী ফ্লাইঅভাৰ, জি এছ ৰোড, গুৱাহাটী-৭, টেলিফোন ঃ (০৩৬১) ২৪৬৫৩২৭, যোৰহাট ঃ (০৩৭৬) ২৩২০০৩৩, ২৩২১৬৯৩, ২৩২১৮৪৮, তিনিচুকীয়া (০৩৭৪) ২৩৫১৪২৩।

বসুন্ধৰাৰ ই-মেইল ঃ sundaybosundhara@gmail.com

# উত্তৰ প্ৰদেশৰ মাফিয়াৰাজ

## চান্দবাবাৰ পৰা অতীক আহমদ





**কুশল কুমাৰ দাস**

ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্যত পূৰ্বাপৰ চলি অহা হত্যা- হিংসাৰ মাফিয়াৰাজৰ কাহিনী সৰ্বত্ৰ চৰ্চিত হৈ থকা বিষয়।

এলাহাবাদ চহৰৰ পুৰণা এলেকাৰ এটি ঘৰ, সেই ঘৰৰ এজন বাবা মানে ডন(দস্যু)। যি এলেকাত পুলিচৰ প্ৰৱেশ সম্ভৱ নাছিল, মানে পুলিচে যাবলৈ ভয় কৰিছিল। বাবাৰ প্ৰকোপত পৰা যিকোনো লোকে ন্যায় বিচাৰৰ সহায় পোৱা সম্ভৱ নাছিল। এটা সময় আহিল, সেই এলেকাতে বিপৰীত শক্তিৰ আৱিৰ্ভাৱ হ'ল, যাৰ নাম অতীক আহমদ। উত্তৰ প্ৰদেশ তথা সমগ্ৰ ভাৰতবৰ্ষত 'অতীক আহমদ'ৰ নাম সৰ্বজনবিদিত। যিজনে প্ৰথম অৱস্থাত মাফিয়াগিৰি চৰিত্ৰ অটুট ৰাখি দাদাগিৰি আৰু ভয়-ভাবুকি আৰু অপ্ৰতিদ্বন্দ্বিতাৰে দুবাৰ নিৰ্দলীয় বিধায়ক, এবাৰ প্ৰতিদ্বন্দ্বিতাৰে বি এছ পি(বহুজন সমাজ পাৰ্টি) দলৰ বিধায়ক আৰু এবাৰ মুলায়ম সিং যাদৱৰ সমাজবাদী পাৰ্টিৰ টিকটেৰে সাংসদ পৰ্যন্ত হয়। ভাৰতীয় গণতন্ত্ৰৰ বাবে আচৰিত যেন লগা কথা নহয় যদিও এনে মাফিয়াগিৰি অব্যাহত থকা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যৰাজৰ গুণ্ডাৰাজ নিৰ্মূলৰ দৃঢ় পদক্ষেপ বিশেষভাৱে লক্ষ্মণীয় হৈ পৰিছে।

সংগম নগৰী হিচাপে জনাজাত প্ৰয়াগৰাজৰ পূৰ্বৰ নাম এলাহাবাদ। সেই ঠাইৰে এলাহাবাদ বিশ্ববিদ্যালয়ৰ প্ৰভাৱ ১৯৮০ চনত ব্যাপক আছিল। সেই স্থানতে ফিৰোজ নামৰ লোক এজনৰ জীৱিকা আছিল ঘোঁৰা টাংগোৱালী গাড়ী। সকলোৰে মাজত তেওঁ 'পাহোৱাল' বুলিয়ে জনাজাত যদিও তেনে কোনো গৰ্হিত কামৰ নজিৰ নাছিল। তেওঁৰে পুত্ৰ অতীক আহমদ পাহোৱাল, যাক উত্তৰ প্ৰদেশৰ প্ৰথম গেং ষ্টাৰ বুলি জনা যায়। ১৯৭৯ চনত ফিৰোজৰ পুত্ৰ অতীক আহমদ হাইস্কুলৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। দেউতাক ফিৰোজে ৰে'লৱে ষ্টেছনত টাংগা চালক হৈ ঘৰ চলাই আৰু পুতেকে ধনী মানুহ হোৱাৰ সপোন দেখে। চান্দবাবাৰ এলেকাত ফিৰোজ টাংগোৱালাৰ পুতেকৰ গুণ্ডাগিৰি বাঢ়িবলৈ ধৰে। আনকি সোতৰ বছৰ বয়সত প্ৰথম হত্যাকাণ্ড সংঘটিত কৰি বাহুবলী হোৱাৰ পথত খোজ দিয়ে। অতীকৰ অতপালিত চান্দবাবা বিশেষভাৱে চিন্তিত হোৱা নাছিল; কাৰণ কম বয়সৰ ল'ৰা অতীকক নিয়ন্ত্ৰণ কৰা সহজ বুলি ভাবিছিল। কিন্তু বাবাই ভবা মতে অতীকৰ আচৰণ বিপৰীতমুখী হ'বলৈ ধৰে। অতীক আহমদ লাহে লাহে গাঁৱৰ পৰা চহৰৰ সকলো স্থানত সাধাৰণ নাগৰিকৰ পৰা পুলিচলৈকে 'বাহুবলী' হিচাপে পৰিচিত হ'বলৈ ধৰে। অতীকক পুলিচেও চকুত চকু থৈ কথা ক'ব নোৱাৰা হ'ল। বাহুবলী অতীকে এদিন চৰকজিৎ নামৰ লোক এজনক ১৯ জাঁই গুলীৰে হত্যা কৰাৰ পৰাই নিৰ্মাণ হ'ল পতনৰ পথ। ইয়াৰ পাছত গুণ্ডাগিৰি বাঢ়িয়ে থাকিল। ১৯৯৫ চনৰ এটা দিনত অতীকৰ পৰিয়াল গাড়ীৰে গৈ আছিল; অশোক চাহুৰে তেওঁৰ হাতত সময় কম থকাত অতীকৰ গাড়ীক চেৰ পেলাই আগবাঢ়ি যোৱাত অশোক চাহুক আগচি ধৰিলত চাহুৰে দেৰি হোৱাৰ বাবেহে বুলি কোৱাৰ পাছতো আৰু কাকুতি-মিনতিৰো কামত নাহিল, নিষ্ঠুৰভাৱে গুলীয়াই হত্যা কৰা হ'ল।

এলাহাবাদ চহৰৰ চকিয়া, ৰাণীমণ্ডীৰ পৰা আৰম্ভ হয় অতীক পালৰ কুখ্যাত জীৱনৰ যাত্ৰা। সোতৰ বছৰ বয়সত অতীকৰ ওপৰত হত্যাৰ আৰোপ লাগে আৰু সময়ৰ লগে লগে মাতব্বৰী স্বভাৱ বৃদ্ধি হ'বলৈ ধৰে। বয়স বাঢ়ি অহাৰ লগে লগে অতীকৰ প্ৰতাপ বাঢ়িবলৈ ধৰে। পুৰণা এলাহাবাদত চান্দবাবাৰ গুণ্ডাগিৰি বিখ্যাত আছিল। পুলিচৰ প্ৰৱেশো য'ত অসম্ভৱ, সেই ঠাইতে অতীক আহমদে বিছ বছৰ বয়সৰ পৰা চান্দবাবাৰ দৰে শক্তিশালী হোৱাৰ সপোন দেখিবলৈ ধৰে। বদমাচি দুনীয়াত চান্দবাবাৰ তুলনাত অতীক তেনেই সৰু আছিল। লোহাই লোহাক কাটিবলৈ স্থানীয় পুলিচ, কোনো কোনো ৰাজনৈতিক নেতাৰ দ্বাৰা অতীক আহমদক চান্দবাবাৰ বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ যাওঁতে অৰ্ধ শতাধিক অভিযোগৰ আচামীলৈ অতীক ৰূপান্তৰ হয়। ইমানবোৰ অভিযোগ থকাৰ পাছতো অতীক ৰাজনৈতিক আশীৰ্বাদপুষ্ট হৈ যথেষ্ট শক্তিশালী হৈ পৰিল; বহুতৰ বাবে



Scanned with OKEN Scanner

সেয়া আচৰিত যেন লগা হ'ল। এবাৰ পুলিচে গ্ৰেপ্তাৰ কৰি লৈ যোৱাৰ সময়ত যি ভূমিকা দেখুৱালে সেয়া পুলিচৰ বাবেও ৰহস্যজনক হৈ পৰিছিল। এনে ভয়াবহ সমস্যাৰ সৈতে স্বাধীনোত্তৰ কালৰ পৰা উত্তৰ প্ৰদেশত শাসক-বিৰোধীয়ে সহবাস কৰি ৰাজনৈতিক স্থিতি বৰ্তাই ৰখা নতুন কথা নহয়। ইয়াৰ ফলত সাধাৰণ জনতাৰ বহু নিৰপৰাধী লোক বিনা দোষতে হত্যা-হিংসাৰ বলি হ'ব লগা হ'ল।

বৰ্তমান উত্তৰ প্ৰদেশত মুখ্যমন্ত্ৰী যোগী আদিত্যৰাজে প্ৰথমটো কাৰ্যকাল সামৰি দ্বিতীয় কাৰ্যকালতো মাফিয়া নিৰ্মূল কৰাৰ বাবে দৃঢ় সংকল্পৰে শাসন চলাই গৈছে। তেওঁৰ মতে ৰাজ্যত কোনো গুণ্ডাৰ দাদাগিৰি থাকিব নোৱাৰিব। যি আছে, সেইবোৰে নিজৰ স্বভাৱৰ পৰা আঁতৰি থাকিব লাগিব; অন্যথা কঠোৰ হাতেৰে মাটিৰ লগত মিলাই দিব। কথা মতে কাম কৰি দেখুওৱা মুখ্যমন্ত্ৰী যোগী আদিত্যৰাজে ৰাজ্যত মাফিয়াৰাজ নিপাত কৰাৰ বাবে দৃঢ় সংকল্পবদ্ধ হয় আৰু সেইমতে নানা বিতৰ্কক চেৰ পেলাই আপোচবিহীনভাৱে শূন্য সহনশীলতা নীতি অৱলম্বন কৰিছে। ১৯৮৫ চনত উত্তৰ প্ৰদেশত মুখ্যমন্ত্ৰী বীৰ বাহাদুৰৰ চৰকাৰ আৰু দেশৰ প্ৰধানমন্ত্ৰী আছিল ৰাজীৱ গান্ধী। অতীক আহমদৰ ওপৰত প্ৰথম মাফিয়া গেংষ্টাৰ এক্ট ৰুজু কৰা হয় আৰু তেতিয়াৰ পৰা আৰক্ষীৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছিল। সেই সময়ত পুলিচে অতীকৰ লগৰবোৰক বিচাৰি ফুৰিছিল। এদিন আৰক্ষীয়ে অতীকক কৰায়ত্ত কৰে যদিও থানাৰ পৰিৱৰ্তে অন্য ঠাইলৈ নিয়ে। আচৰিত ধৰণে সেই সময়তে অতীকৰ সৈতে দেশৰ তৎকালীন প্ৰধানমন্ত্ৰীৰ নিকট সাংসদ এজনে দিল্লীৰ পৰা ফ'ন কৰে আৰু অতীকক পুলিচে এৰি দিবলৈ বাধ্য হয়। ৰাজনৈতিক নেতা আৰু পুলিচে উপলব্ধি কৰিব পৰা নাছিল যে অতীক কেৱল চান্দবাবাৰ বাবে নহয়, গণতন্ত্ৰ তথা আইনৰ বাবেও প্ৰত্যাহ্বান হ'ব পাৰে। চান্দবাবা আৰু অতীক আহমদৰ সৈতে বহুবাৰ দলবদ্ধ কাজিয়া হৈছিল, সেই সময়তে বাবা আৰু অতীক দুয়োৱে এলাহাবাদ সমষ্টিত নিৰ্বাচন খেলে আৰু অতীক বিধায়ক হয়; বাবাৰ পৰাজয় হয়। ১৯৮৯ৰ নিৰ্বাচনত জয়লাভ কৰা কেইমাহমানৰ ভিতৰত চান্দবাবাক হত্যা কৰে। এয়া প্ৰয়াগৰাজৰ পুৰণা গেং ষ্টাৰক হত্যা কৰি নতুন গেং ষ্টাৰৰ আধিপত্য বিস্তাৰৰ কাহিনী। পুলিচক হাতত ৰাখি বাবাৰ সকলো সহযোগীকে এজন এজনকৈ সম্পূৰ্ণ দলক নিঃশেষ কৰি দিয়ে। অতীকে এনে শক্তিৰ বলত মতলীয়া হৈ পৰাত এলাহাবাদৰ পশ্চিম সমষ্টিত কোনোৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাহস নকৰা হ'ল। ইয়াৰ ফলতে ১৯৯১ৰ পৰা ১৯৯৩ চনত নিৰ্দলীয় হৈ জয়লাভ কৰে। ইয়াৰ ফলতে সমাজবাদী দলৰ সৈতে সম্পৰ্ক ওচৰ চাপিবলৈ ধৰে আৰু ১৯৯৬ চনত দলৰ পৰা নিৰ্বাচনৰ বাবে টিকট পায় আৰু চতুৰ্থবাৰৰ বাবে বিধায়ক হয় যদিও

**সকলোৰে মাজত তেওঁ 'পাহোৱাল' বুলিয়ে জনাজাত যদিও তেনে কোনো গৰ্হিত কামৰ নজিৰ নাছিল। তেওঁৰে পুত্ৰ অতীক আহমদ পাহোৱাল, যাক উত্তৰ প্ৰদেশৰ প্ৰথম গেং ষ্টাৰ বুলি জনা যায়। ১৯৭৯ চনত ফিৰোজৰ পুত্ৰ অতীক আহমদ হাইস্কুলৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। দেউতাক ফিৰোজে ৰে'লৰে ষ্টেছনত টাংগা চালক হৈ ঘৰ চলাই আৰু পুতেকে ধনী মানুহ হোৱাৰ সপোন দেখে।**

পাছলৈ সমাজবাদী দলৰ সৈতে সম্পৰ্কৰ অৱনতি হয়। ১৯৯৯ চনত নিজাকৈ দলৰ জন্ম দিয়ে যদিও সফল হ'ব পৰা নাছিল অৰ্থাৎ নিৰ্বাচনত পৰাজয় বৰণ কৰে। ২০০০ চনত উত্তৰ প্ৰদেশক কম্পিত কৰিব পৰাধৰণৰ ৰাজনৈতিক শক্তিৰে নিজৰ পৰিচয় উন্নত কৰে। ২০০৪ চনত পুনৰ সমাজবাদী দল টিকটত ফুলপুৰ সমষ্টিৰ পৰা লোক সভাৰ নিৰ্বাচনত জয়লাভ কৰে আৰু এলাহাবাদ পশ্চিম সমষ্টিত নিজৰ ভায়েক খালিদ আজিদ আৰু আশ্ৰফ আহমদক নিৰ্বাচনীয় ৰাজনীতিলৈ আনে। বি এছ পিৰ প্ৰাৰ্থী ৰাজু পালৰ হাতত অতীকৰ ভায়েক পৰাজিত হয়। এসময়ত ৰাজু পাল অতীকৰ সোঁহাতস্বৰূপ সহযোগী আছিল আৰু কেইবাটাও গোচৰ আছিল।

নিজৰ ভায়েক পৰাজিত হোৱাৰ বাবে অতীক ৰাজু পালৰ শত্ৰু হৈ পৰিল। ৰাজু পাল বিধায়ক হোৱাৰ দুমাহৰ পাছতে অতীকৰ পোহনীয়া গুণ্ডাই ৰাজু পালক বিভিন্নধৰণে ভাবুকি দি আহিছিল আৰু ২৫ জানুৱাৰী, ২০০৫ত ৰাজু পালক আক্ৰমণ কৰি গুলীবিদ্ধ কৰে। ৰাজু পালক ততাতৈয়াকৈ টেম্প'ৰে চিকিৎসালয়লৈ নি থকা অৱস্থাতে অতীকৰ গুণ্ডাই পথ আগচি ধৰি উপৰ্যুপৰি পুনৰ গুলীওৱাৰ ফলত গুলীৰে দেহ ঠকা-সৰকা হৈ পৰে। পৰিতাপৰ কথা যে এইগৰাকী বিধায়ক ৰাজু পাল হত্যাৰ এঘাৰ দিনৰ আগত বিবাহপাশত আবদ্ধ হৈছিল। ৰাজুৰ হত্যাৰ পাছত ২০০৫ চনৰ নিৰ্বাচনত এলাহাবাদ পশ্চিম সমষ্টিত বি এছ পি(বহুজন সমাজ পাৰ্টি)ৰ সমৰ্থনত ৰাজু পালৰ পত্নী পূজা পালক অৱতীৰ্ণ কৰে। একেটা সমষ্টিত অতীক আহমদে ভায়েক আশ্ৰফ আহমদক প্ৰতিদ্বন্দ্বী হিচাপে থিয় কৰায়। লক্ষণীয়ভাৱে এই নিৰ্বাচনত পূজা পাল আশ্ৰফৰ হাতত পৰাজিত হয়। ৰাজু পালৰ হত্যাকাণ্ডই অতীক আহমদৰ ৰাজনৈতিক যাত্ৰাত বিধি-পথালি আৰম্ভ হয়। কিয়নো ২০০৭ চনৰ নিৰ্বাচনত পুনৰ একেটা সমষ্টিৰ পৰা পূজা পালে নিৰ্বাচনত দহ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰে আৰু বি এছ পি দলৰ নেতা মায়াৱতীৰ চৰকাৰ শাসনত আহে। আনফালে সমাজবাদী পাৰ্টিয়ে অতীক আহমদক দলৰ পৰা বৰ্খাস্ত কৰে। সেই সময়তে মায়াৱতী চৰকাৰে অতীক আহমদক উচিত শাস্তি দিয়াৰ বাবে ম'ষ্ট ৱাণ্টেড ঘোষণা কৰে আৰু অতীকৰ সহযোগীৰ এখন তালিকা প্ৰস্তুত কৰে। মায়াৱতী চৰকাৰে অতীকৰ গেঙৰ বিৰুদ্ধে ১২০জনৰ তালিকা প্ৰস্তুত কৰে আৰু অতীকক ধৰিবলৈ বিছ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰে। ন্যায়ালয়ত অতীকৰ বিৰুদ্ধে অভিযোগ দাখিল হয় আৰু কৌটি টকাৰ সম্পত্তি ছীল কৰা হয়, বেআইনীকৈ নিৰ্মাণ কৰা বহু মহলীয়া ঘৰসমূহ বুলড'জাৰেৰে ভাঙি পেলায়। গোটেই দেশতে ডন মাফিয়া হিচাপে এলাৰ্ট ঘোষণা কৰা হয়। এটা সময়ত দিল্লী পুলিচে দিল্লীৰ পিতামপুৰা এপাৰ্টমেণ্টৰ পৰা অতীতক গ্ৰেপ্তাৰ কৰাৰ কথা গোষণা কৰে আৰু উত্তৰ প্ৰদেশ চৰকাৰৰ হাতত গতাই দিয়ে। ইয়াৰ পাছত অতীকৰ স্থান এখন জে'লৰ পৰা আন এখন জে'লত সলনি হৈ থাকে।

২০১২ চনত পুনৰ নিৰ্বাচনত পূজা পালৰ প্ৰতিদ্বন্দ্বী হিচাপে অতীক আহমদে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰি নিৰ্বাচন খেলে যদিও পৰাজিত হয়। সেই বাৰ সমাজবাদী পাৰ্টিৰ চৰকাৰ হয়। অতীক আহমদ বিধায়ক আৰু সাংসদ হৈ থকাৰ সময়তে বিভিন্ন অভিযোগ ন্যায়ালয়ত দাখিল হৈ আছিল। অতীকৰ গেঙে বিৰোধীক ভয়-দাবী-ধমকি-দমন কৰাত কুখ্যাত আছিল। সেই সময়তে অতীকৰ ভায়েক আশ্ৰফৰ ঘৰ প্ৰশাসনে চূৰ্ণ-বিচূৰ্ণ কৰে। ৰাজনীতিলৈ অহাৰ পাছত অতীকৰ মাফিয়া চৰিত্ৰৰ ৰেহ-ৰূপ কমি যোৱাৰ সলনি বৃদ্ধি পাই গৈছিল; ২০১৭ চনলৈকে অতীকৰ গেঙে ভাৰতীয় ন্যায় ব্যৱস্থাক অংগুষ্ঠ দেখুৱাই নিজৰ প্ৰভুত্ব দেখুৱাই আছিল। অতীকৰ ওপৰত যিমানবোৰ গোচৰ ৰুজু হৈছিল, বেছিভাগেই বিধায়ক আৰু সাংসদ হৈ থাকোঁতে হৈছিল। ২৬ ডিচেম্বৰ, ২০১৮ চনত উত্তৰ প্ৰদেশৰ ৰাজধানী লক্ষ্নৌত এজন ব্যৱসায়ীক অপহৰণ আৰু মাৰপিট কৰি দেবেৰীয়া জে'ললৈ লৈ যায়, তাতে সম্পত্তি বিবাদৰ নামত অপহৰণকাৰী ব্যৱসায়ীৰ দ্বাৰা উকা কাগজত হস্তাক্ষৰ লয়। মাফিয়াগিৰিৰ নামত অতীকৰ শক্তি প্ৰদৰ্শন আছিল মাৰাত্মক। অকল তাতেই ক্ষান্ত নাথাকি সমস্ত কাৰ্যৰ ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ কৰি দিছিল। ▶



Scanned with OKEN Scanner

নিজৰ মাফিয়াগিৰি আৰু প্ৰভুত্ব অব্যাহত ৰখোৱা বাবে অতীক আহমদে এই কাম কৰিছিল যদিও সেই কাম নিজৰ জীৱনৰ বাবে কিমান ভয়াবহ হ'ব পাৰে, সেই কথা ভবা নাছিল। ইয়াৰ পাছত অতীকক দেবেৰীয়া জে'লৰ পৰা বেৰেলী জে'ললৈ চালান দিয়ে। কিন্তু উক্ত জে'ল প্ৰশাসনে অতীকক ৰখাবলৈ অমান্তি হয়। আগন্তুক লোক সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অতীকক কাঢ়া সুৰক্ষা ব্যৱস্থাৰ মাজত ৰাখিবৰ বাবে প্ৰয়াগৰাজৰ নাইনী জে'লত ৰখাৰ ব্যৱস্থা কৰে। দেবেৰীয়া জে'ল কাণ্ডৰ অভিযোগ উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছিল।

আদালতে কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চি বি আই)ক অনুসন্ধানৰ বাবে দায়িত্ব অৰ্পণ কৰে। অতীকৰ পুতেকৰ লগতে আৰু কমেও পোন্ধৰজন লোকৰ ওপৰত অভিযোগ দাখিল হয়। ২৩ এপ্ৰিল, ২০১৯ত উচ্চতম ন্যায়ালয়ে উত্তৰ প্ৰদেশ চৰকাৰক অতীক আহমদক ৰাজ্যৰ বাহিৰত ৰখোৱাৰ আদেশ কৰে। ৩ জুন, ২০১৯ উত্তৰ প্ৰদেশৰ পৰা অতীকক আহমদাবাদৰ চাবৰমতী জে'ললৈ লৈ যোৱা হয়। উত্তৰ প্ৰদেশ চৰকাৰৰ মুখ্যমন্ত্ৰী আদিত্যনাথ যোগীয়ে অতীকৰ বেআইনী সম্পত্তি আৰু মাফিয়াগিৰিক বুলড'জাৰেৰে তহিলং কৰিবলৈ পদক্ষেপ লয়। অতীক আৰু পৰিয়াল তথা গেঙৰ সহযোগীসকলৰ অবৈধ সম্পত্তি ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰে। আনুমানিক ৭০ কোটিৰ সম্পত্তি ভাঙি-ছিঙি পেলায়।

২০১৬ চনত মোলায়ম সিং যাদৱৰ চৰকাৰৰ মাজত পৰিয়ালকেন্দ্ৰিক ৰাজনৈতিক টনা-আঁজোৰা চলিছিল; মোলায়ম, পুত্ৰ অখিলেশ আৰু দলৰ আন সদস্যৰ মাজত সৃষ্টি হোৱা ঘৰুৱা বিবাদৰ মাজত নিৰ্বাচনৰ বাবে অতীক আহমদক টিকট দিব বিচাৰিছিল। কানপুৰ সমষ্টিৰ পৰা অতীকক বিধায়ক কৰাৰ বাবে টিকট দিয়া হ'ল। কিন্তু সেই সময়তে ১৪ ডিচেম্বৰ, ২০১৬ৰ এক ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ লাভ কৰে। ভিডিঅ'ত অতীক আহমদ আৰু তেওঁৰ সহযোগীয়ে এলাহাবাদৰ এখন কলেজত মাৰ-পিট, দাদাগিৰি আৰু ভয় দেখুওৱাৰ কথা ওলায়। অকল সেয়াই নহয়, ২২ ডিচেম্বৰত পাঁচশ গাড়ীৰে সৈতে অতীক আহমদে বাহুবল দেখুওৱাৰ উদ্দেশ্যে কানপুৰলৈ ঢাপলি মেলিছিল। ইয়াৰ ফলতে উক্ত দিনা কানপুৰত অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই ক্ষেত্ৰত অখিলেশ যাদৱে অতীকৰ নিচিনা লোকৰ বাবে নিৰ্বাচন খেলিবলৈ কোনো ঠাই নাই বুলি স্পষ্টকৈ কৈছিল। ২০১৭ চনৰ নিৰ্বাচনৰ ঠিক আৰম্ভণিতে অখিলেশ যাদৱক ভীতি প্ৰদৰ্শন কৰি কৈছিল যে কেইবাবাৰো অতীক আহমদে নিৰ্দলীয় হৈ জয়লাভ কৰিছে, গতিকে নিজৰ টিকট নিজে ঠিক কৰি ল'ব। ফেব্ৰুৱাৰী, ২০১৭ত ন্যায়ালয়ৰ নিৰ্দেশ মতে অতীক আহমদক গ্ৰেপ্তাৰ কৰে। উচ্চ ন্যায়ালয়ে সকলো মোকৰ্দমাৰ বাবে জামিন

**ৰাজনীতিলৈ অহাৰ পাছত অতীকৰ মাফিয়া চৰিত্ৰৰ ৰেহ-ৰূপ কমি যোৱাৰ সলনি বৃদ্ধি পাই গৈছিল; ২০১৭ চনলৈকে অতীকৰ গেঙে ভাৰতীয় ন্যায় ব্যৱস্থাক অংগুষ্ঠ দেখুৱাই নিজৰ প্ৰভুত্ব দেখুৱাই আছিল। অতীকৰ ওপৰত যিমানবোৰ গোচৰ ৰুজু হৈছিল, বেছিভাগেই বিধায়ক আৰু সাংসদ হৈ থাকোঁতে হৈছিল।**

নামঞ্জুৰ কৰি দিয়ে আৰু জে'ললৈ যাব লগা হয়। মুৰাদাবাদৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হৈ নিৰ্বাচন খেলে যদিও পৰাজয় বৰণ কৰে। ইয়াৰ পাছত প্ৰয়াগৰাজৰ উমেশ পাল আছিল ৰাজু পালৰ একমাত্ৰ সাক্ষীবাদী। অতীক আহমদৰ বাধা ডাবি-ধমকি, ভাবুকিৰ পাছতো বন্ধু ৰাজু পালৰ হত্যাকাণ্ডৰ সাক্ষী দিয়াৰ পক্ষত আছিল আৰু ২০০৬ চনত ন্যায়ালয়ৰ বিচাৰ সভাত ৰাজু পালৰ হত্যাকাণ্ডৰ লগত অতীক আহমদ আৰু ভায়েক আশ্ৰফ জড়িত থকাৰ কথা ব্যক্ত কৰে।

চলিত বছৰৰ ফেব্ৰুৱাৰীত অতীকৰ গুণ্ডাই উমেশ পালক হত্যা কৰে। উমেশ পাল হত্যাকাণ্ডৰ লগত জড়িত প্ৰধান মাষ্টাৰ মাইণ্ড অতীক আহমদ আৰু তিনিজন হত্যাকাৰী হৈছে পুতেক আৰচাদ, ওচমান, ছাবিৰ, গুদ্দু মুছলিম, আৰমান, আৰবাজ, গুলাম আৰু অতীকৰ পত্নী চায়েস্তা পাৰবিন। ইয়াৰে ভিতৰত ছাবিৰ, গুদ্দু মুছলিম আৰু চায়েস্তাক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। উক্ত হত্যাকাণ্ডৰ সৈতে অতীক আহমদৰ দুই পুত্ৰক পুলিচে জড়িত থকাৰ সন্দেহত আটক কৰে।

অতীক আহমদ সাংসদ হোৱা সময়তে খালী হোৱা বিধানসভাৰ উপ-নিৰ্বাচনত ভায়েক আৰছাদ আহমদ ৰাজু পালৰ প্ৰতিদ্বন্দ্বী আছিল। ৰাজু পালে নিৰ্বাচনত জয় লাভ কৰে আৰু আৰছাদ পৰাজিত হয়। ২০০৫ চনত ধুমানগঞ্জত ৰাজু পালক হত্যা কৰা সময়ত একমাত্ৰ সাক্ষী আছিল উমেশ পাল। ৰাজু পালৰ হত্যাৰ চি বি আই তদন্তত অতীক আহমদ আৰু ভায়েক আবছাদ দোষী সাব্যস্ত হৈ জে'লৰ আলহী হয়। উমেশ পাল ৰাজু পালৰ ঘনিষ্ঠ বন্ধু আছিল বাবে ৰাজু পালৰ ৰাজনৈতিক মৰ্চা তদাৰক কৰিছিল। ওঠৰ বছৰৰ পাছত ৰাজু পালৰ দৰে উমেশ পালকো একে কায়দাৰে অতীক আহমদৰ গুণ্ডাই হত্যা কৰে। অতীক আহমদৰ পত্নী চাহেস্তা পাৰবিন, পুত্ৰত্ৰয় ক্ৰমে আৰচাদ আহমদ, আলী আহমদ আৰু উমৰ আহমদ, ভায়েক আশ্ৰফ আৰু ভনীয়েকৰ নাম আয়েছা নূৰ। গোটেই পৰিয়ালটো বিভিন্ন হত্যাকাণ্ড আৰু বেআইনী কাম-কাজৰ লগত জড়িত। দুদিনৰ অগা-পিছাকৈ পুত্ৰ আৰু স্বামীৰ মৃত্যুৰ খবৰ পোৱাৰ পাছতো চায়েস্তা পাৰবিন ওলাই নাহিল। কিমান নিষ্ঠুৰ মানসিকতাৰ হ'লে এগৰাকী নাৰীয়ে নিজৰ পুত্ৰ আৰু স্বামীৰ মৃত্যুৰ খবৰ পোৱাৰ পাছতো লুকাই থাকিব পাৰে? শেষকৃত্য সম্পন্ন স্থলীত গৈ শেষ দৰ্শনৰ পৰা বিৰত থাকিব পাৰে? এই ক্ষেত্ৰত বিভিন্ন মাধ্যমত এনে ভূমিকাৰ বিষয়ে বিভিন্ন চৰ্চা হৈছে। অগণিত বেনামী সম্পত্তিৰ বিষয়ে চায়েস্তাই ভালকৈ জানে আৰু একমাত্ৰ উত্তৰাধিকাৰী হোৱাৰ বাবে আত্মগোপন কৰা বুলি বহুতে ক'ব খোজে। আনহাতে, পুলিচৰ হাতত ধৰা দিলে পুত্ৰ আৰু স্বামীৰ দৰে একে অৱস্থা হোৱাৰ ভয়ত আত্মগোপন কৰিছে, নতুবা মাফিয়াৰাজ্যৰ বহুতো গোপন কথা পুলিচৰ হাতত ধৰা দিলে ওলাই পৰিব পাৰে। পুত্ৰ আৰু স্বামীৰ হত্যাকাণ্ডৰ প্ৰতিশোধ লোৱাৰ বাবে পৰিকল্পনা প্ৰস্তুতৰ বাবেও পুলিচৰ হাতত ধৰা নিদিয়া বুলি ক'ব পাৰি অথবা উমেশ পালৰ হত্যাৰ লগত জড়িত গুদ্দু মুছলিমৰ লগত আত্মগোপন কৰি থকাৰ সন্দেহ অমূলক নহয়।

উত্তৰ প্ৰদেশ চৰকাৰৰ বাবে অতীকৰ পত্নীৰ আত্মগোপনো চিন্তাৰ কাৰণ হৈ পৰিছে। কাৰণ চাহেস্তা পুত্ৰ আৰু স্বামীৰ জানাজাত উপস্থিত নোহোৱা কথাটোৱে সন্দেহৰ আৱৰ্তত সোমাই পৰিছে। প্ৰয়াগৰাজৰ বিখ্যাত গুণ্ডা, হত্যাকাৰী, বিধায়ক, সাংসদ আৰু বাহুবলী অতীক আহমদ আৰু ভায়েকৰ আশ্ৰফৰ স্বাস্থ্য পৰীক্ষা কৰিবলৈ নিয়া অৱস্থাত চিকিৎসালয়ৰ সন্মুখত অজ্ঞাত আততায়ীৰ আক্ৰমণত ইতিমধ্যে নিহত হৈছে। উক্ত হত্যাকাণ্ডৰ সৈতে জড়িতসকলক ইতিমধ্যে কৰায়ত্ত কৰা হৈছে। আচৰিত কথা এইটোৱে যে তিনিওজন হত্যাকাৰী ক্ৰমে উত্তৰ প্ৰদেশৰ বান্দাৰ লাভলেশ তিৱাৰী(২২), হিমাচল প্ৰদেশৰ হামিৰপুৰৰ মহিৎ আলিয়াছ চান্নি(২৩) আৰু উত্তৰ প্ৰদেশৰ কাচাগঞ্জীৰ অৰুণ মৌৰ্য(১৮) তিনিওজন বেলেগ বেলেগ ঠাইৰ মাৰণাস্ত্ৰ ব্যৱহাৰত পাকৈত আৰু কম বয়সীয়া যুৱক। ❖

✆: ৯১০১১২২৬৩৮, ৯৯৫৪২১৮৬০১



Scanned with OKEN Scanner